দ্বিতীয় অধ্যায়

# মানৱ সম্পদ

# Human Resources

## 2. মানৱ সম্পদ (Human Resources) ঃ

কোনো এখন দেশ সামাজিক আৰু ৰাজনৈতিকভাৱে সচেতন হোৱাৰ লগতে দেশখনৰ অৰ্থনৈতিক উন্নয়নৰ গতি ক্ষীপ্ৰভাৱে আগুৱাই নিবলৈ হ'লে এহাতে দেশত প্ৰাকৃতিক সম্পদসমূহ প্ৰাচুৰ্য্যপূৰ্ণ হ'ব লাগিব আনহাতেদি দেশখনৰ মানৱশক্তিক উপযুক্তভাৱে প্ৰয়োজনীয় খণ্ডত ব্যৱহাৰ কৰিব পাৰিব লাগিব। সচাঁ অৰ্থত মানৱ সম্পদেই হ'ল অৰ্থনীতি এখনৰ চালিকা শক্তি। কিয়নো মানৱ সম্পদৰ প্ৰচেষ্টাতে প্ৰাকৃতিক সম্পদসমূহৰ (১) সৰ্বোৎকৃষ্ট ক্ষেত্ৰত ব্যৱহাৰ হয়। (২) সমাজৰ প্ৰান্তিক প্ৰয়োজনীয়তাৰ ভিত্তিত সেৰা সামগ্ৰীৰ উৎপাদন কৰিব পৰা যায়। (৩) দেশখনৰ সকলো স্তৰৰ উন্নয়ন সাধন কৰিব পৰাকৈ মানৱসম্পদ আৰু প্ৰাকৃতিক সম্পদসমূহ ব্যৱহাৰ কৰিব পৰা যায়।

মানৱ সম্পদ বুলি ক'লে দেশ এখনৰ জন সমষ্টিকে বুজা যায়। অৰ্থবিজ্ঞানৰ মতে সম্পদ হ'বলৈ হ'লে ইয়াৰ বিকল্প ব্যৱহাৰ যোগ্যতা থাকিব লাগে। গতিকে দক্ষ মানৱ সম্পদ হ'বলৈ হ'লে সুক্ষ্ম চিন্তাশক্তিৰে পৰিপুষ্ট, কৌশলপূৰ্ণ জ্ঞান, বিভিন্ন দিশত বিশেষ কৰ্মদক্ষতাপূৰ্ণ লোককে মানৱ সম্পদ আখ্যা দিয়া হয়। গতিকে মানৱ সম্পদ হ'বলৈ হ'লে (১) সুস্থ স্বাস্থ্যবান হ'ব লাগিব। (২) উপযুক্ত শিক্ষা-দীক্ষাৰে শিক্ষিত হ'ব লাগিব। (৩) উপযুক্ত দিশত উপযুক্ত প্ৰশিক্ষণ জ্ঞান থাকিব লাগিব। (৪) কৰ্মস্পৃহা, দৃঢ়মনা আৰু কৰ্মৰ প্ৰতি সচেতন হ'ব লাগিব। আমেৰিকান অৰ্থনীতিবিদ Galbraith ৰ মতে "We now get the larger part of our industrial growth not from more capital investment but from investment in men and improvements brought about by improved

men." গতিকে এনে ব্যক্তব্যৰ পৰা আমি মানৱ সম্পদৰ গুৰুত্ব উপলব্ধি কৰিব পাৰো। অন্যান্য সম্পদ আৰু মানৱ সম্পদৰ মাজত অৱশ্যে পাৰ্থক্য আছে। ইয়াৰ কাৰণ দেশ এখনত অন্যান্য প্ৰাকৃতিক সম্পদ যিমানে বেছি হয় দেশখনৰ উন্নয়নৰ গতিও সিমানে ক্ষীপ্ৰ হ'ব। কিন্তু মানৱ সম্পদ অন্য সম্পদৰ দৰে পৃথক দেশৰ মাজত আমদানি-ৰপ্তানি কৰিব পৰা নেযায় গতিকে মানৱ সম্পদৰ ক্ষেত্ৰত এক কাম্যতম অৱস্থা দেখা পোৱা যায়।

এচাম অৰ্থনীতিবিদে ক'ব খোজে যে মানৱ সম্পদ হ'ল এক প্ৰকাৰৰ মূলধন মাথোন। মানুহ যিটো সময়সীমাৰ (১৮ বছৰৰ পৰা ৬০ বছৰলৈ) ভিতৰত কৰ্মক্ষম হৈ থাকে সেই সময়খিনিৰ মাজত যদি মানৱ সম্পদক উপযুক্তভাৱে উৎপাদনমূখী কাম-কাজত ব্যৱহাৰ কৰিব পাৰিলে এহাতে দেশত সেৱা আৰু সামগ্ৰীৰ পৰিমাণ বৃদ্ধি পাব, আনহাতেদি কিছুমান অৰ্থনৈতিক সুবিধাৰ সৃষ্টি কৰি অৰ্থনীতিখন উন্নয়নৰ গতি ক্ষীপ্ৰভাৱে আগুৱাই নিব।

শিক্ষা, প্ৰশিক্ষণ, উপস্থিত বুদ্ধি আৰু দক্ষ কাৰিকৰী কৌশলেৰে পুষ্ট মানৱ সম্পদ ব্যৱহাৰে এখন দেশে নিজৰ প্ৰাকৃতিক সম্পদসমূহৰদ্বাৰা প্ৰয়োজনীয় সেৱা-সামগ্ৰীৰ উৎপাদন কৰাৰ লগতে দেশখনৰ উন্নয়নৰ গতি ক্ষীপ্ৰ কৰিব পাৰি। গতিকে এইটো দিশৰ পৰা বহুতে মানৱ সম্পদক উৎপাদনমূখী মানৱ সম্পদ বা মূলধন আখ্যা দিব খোজে। আচলতে এখন দেশৰ জনসমষ্টিক মানৱ সম্পদ আখ্যা দিবলৈ হ'লে বা মানৱ মূলধন আখ্যা দিবলৈ হ'লে (১) মানৱ শক্তি সুস্বাস্থ্যৰ অধিকাৰী হ'ব লাগিব। (২) কৰ্মৰ প্ৰতি কৰ্মস্পৃহা থকাৰ লগতে কৰ্মদক্ষতাও থাকিব লাগিব। (৩) তৃতীয়তে, মানৱ সম্পদ আৰু প্ৰাকৃতিক সম্পদৰ মাজত এক উপযুক্ত অনুপাত থাকিব লাগিব। অৰ্থাৎ জনসংখ্যা কাম্যতম হ'ব লাগিব। ইয়াৰ কাৰণ মানৱ সম্পদ যিমানেই দক্ষ নহওক কিয় ই যদি কৰ্ম সংস্থাপনৰ সুযোগ পাবলৈ সক্ষম নহৈ নিবনুৱা হ'ব লগা হয় তেনেহ'লে দেশৰ মুঠ উন্নয়নো কম হোৱাৰ সম্ভাৱনা থাকে।

আমি জানো বহু প্ৰাকৃতিক সম্পদ নৱীকৰণযোগ্য নহয়। কিন্তু প্ৰজনন ক্ষমতাৰ যোগেদি মানৱ সম্পদ নৱীকৰণযোগ্য হয়। গতিকে কেতিয়াবা কেতিয়াবা প্ৰাকৃতিক সম্পদৰ পৰিমানটোতকৈ মানৱ সম্পদ অধিক হোৱাত কৰ্ম সংস্থাপনহীনতাৰ সৃষ্টি হয়। ইয়াক অত্যাধিক জনসংখ্যা বোলে। এনে হ'লে দেশৰ উন্নয়নত বাধাৰ সৃষ্টি হয়। গতিকে অত্যাধিক জনসংখ্যা সমস্যাটোৰ